# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 05-09-2025
**Time :** 1340 hrs

## *Assamese Midday Bulletin*

## HEADLINES

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে কন্যা সন্তানৰ শিক্ষাত গুৰুত্ব দিবলৈ সকলোৰে প্ৰতি আহ্বান জনাইছে।

২। জি এছ টি পৰিষদে জনসাধাৰণৰ সুবিধাৰ্থে জি এছ টিৰ হাৰ সংস্কাৰত অনুমোদন জনায়।

৩। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মিলাদ-উন-নবী আৰু ওনাম উপলক্ষে জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে।

৪। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে আজি নতুন দিল্লীত ভূটানৰ প্ৰধানমন্ত্ৰী শ্বেৰিং টবগেক সাক্ষাৎ কৰিব।

*আৰু*

৫। নতুন দিল্লীত আজি সৰস মেলাৰ ২৭ সংখ্যক সংস্কৰণ আৰম্ভ হৈছে।

০০০০০

সমগ্ৰ দেশত আজি শিক্ষক দিৱস উদযাপন কৰা হৈছে। শিক্ষাবিদ তথা প্ৰাক্তন ৰাষ্ট্ৰপতি ড° সৰ্বেপল্লী ৰাধাকৃষ্ণণৰ জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি প্ৰতি বছৰে ৫ ছেপ্তেম্বৰত এই দিৱস পালন কৰা হয়। এই উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে আজি নতুন দিল্লীৰ বিজ্ঞান ভৱনত ৰাষ্ট্ৰীয় কৃতী শিক্ষক বঁটাসমূহ প্ৰদান কৰে। এই বঁটা প্ৰদান অনুষ্ঠানত ৰাষ্ট্ৰপতিগৰাকীয়ে নাৰীসকলৰ উন্নতিৰ বাবে কন্যা সন্তানক শিক্ষা প্ৰদান কৰাত অধিক গুৰুত্ব আৰোপ কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে কন্যা সন্তানৰ শিক্ষাৰ বিষয়টোৰে সৰ্বাধিক অগ্ৰাধিকাৰ পোৱা উচিত। তেওঁ লগতে কয় যে কন্যা সন্তানৰ শিক্ষাত বিনিয়োগ কৰা মানেই পৰিয়াল, সমাজ আৰু ৰাষ্ট্ৰৰ প্ৰতি অমূল্য অৱদান আগবঢ়োৱাকে বুজায়। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে উচ্চ শিক্ষাত কন্যা সন্তানৰ নামভৰ্তিৰ ক্ৰমবৰ্ধিত অনুপাতে তেওঁক আনন্দ দিছে বুলিও প্ৰকাশ কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে শিক্ষাই ব্যক্তিক সবল কৰে। তেওঁ কয় যে খাদ্য, বস্ত্ৰ আৰু আশ্ৰয়স্থলৰ দৰে শিক্ষাও মানুহৰ সন্মান আৰু নিৰাপত্তাৰ বাবে অতি প্ৰয়োজনীয়।

প্ৰধানমন্ত্ৰী মোদীয়ে লগতে কৃতী শিক্ষক বঁটা প্ৰাপক শিক্ষক-শিক্ষয়িত্ৰীসকলক অভিনন্দন জনায়। তেওঁ কয়, যে এই শিক্ষক-শিক্ষয়িত্ৰীসকলক তেওঁলোকৰ কঠোৰ পৰিশ্ৰম আৰু অভূতপূৰ্ব নিষ্ঠাৰ স্বীকৃতি স্বৰূপে এই বঁটাৰ বাবে বাছনি কৰা হৈছে। শ্ৰীমোদীয়ে কয়, যে শিক্ষক-শিক্ষয়িত্ৰীসকলে অকল বৰ্তমানকে নহয় বৰং ৰাষ্ট্ৰৰ ভৱিষ্যতকো গঢ় দিয়ে। ৰাষ্ট্ৰ গঠনত তেওঁলোকৰ ভূমিকা ৰাষ্ট্ৰীয় সেৱাৰ বিভিন্ন প্ৰকাৰৰ ভিতৰত অন্যতম বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। শ্ৰীমোদীয়ে কয়, যে দেশৰ বিভিন্ন অংশত এই বছৰৰ বঁটা প্ৰাপকসকলৰ দৰে অগণন শিক্ষক-শিক্ষয়িত্ৰীয়ে নিষ্ঠা, একাগ্ৰতা, প্ৰতিশ্ৰুতিবদ্ধতা আৰু সেৱাৰ মনোভাৱেৰে শিক্ষা আগবঢ়াই আহিছে।

শিক্ষক দিৱস উপলক্ষে কেন্দ্ৰীয় শিক্ষা মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকৰ পূৰ্ণ সম্ভাৱনাক উপলব্ধি কৰাত সহায় কৰা সকলো গুৰুকে প্ৰণাম জনায়। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত শ্ৰীপ্ৰধানে কয় যে তেওঁলোকৰ কঠোৰ পৰিশ্ৰম আৰু নিষ্ঠাই উৎকৃষ্টতাক অধিক উজ্জীৱিত কৰি ৰাষ্ট্ৰীয় উন্নয়নত অবিহনা যোগাইছে। তেওঁ লগতে কয় যে শিক্ষকসকলে ছাত্ৰ-ছাত্ৰীসকলক শিক্ষাৰ লগতে ৰাষ্ট্ৰৰ প্ৰতি দায়িত্ববোধো শিকায়।

০০০০০

লালকিল্লাত অনুষ্ঠিত স্বাধীনতা দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সমাগত দীপাৱলীৰ পৰাই দেশত জি এছ টি ব্যৱস্থাৰ সংস্কাৰ সাধন কৰা হ'ব বুলি ঘোষণা কৰিছিল। প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে অধিক কাৰ্যক্ষম আৰু

নাগৰিক অনুকূল অৰ্থনীতি গঢ়াৰ লক্ষ্যৰে যোৱা পৰহিৰ পৰা জি এছ টি পৰিষদে সাধাৰণ মানুহৰ সুবিধাৰ অৰ্থে জি এছ টিৰ হাৰ সংস্কাৰত অনুমোদন জনায়। পৰিষদে পৰোক্ষ কৰ ব্যৱস্থাত ৫ শতাংশ, ১২ শতাংশ, ১৮ শতাংশ আৰু ২৮ শতাংশ জি এছ টিত অনুমোদন জনায়। ধপাত আৰু বিলাসী সামগ্ৰী আৰু নিৰ্বাচিত কিছু সামগ্ৰীৰ ক্ষেত্ৰত ৪০ শতাংশ অতিৰিক্ত কৰ আৰোপ কৰা হৈছে। এই সংস্কাৰসমূহে জনসাধাৰণক যথেষ্ট সহায় কৰিব। শিক্ষা খণ্ডৰ বিভিন্ন সামগ্ৰীতো সংস্কাৰ সাধন কৰা হৈছে।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামগ্ৰী আৰু সেৱাকৰ জি এছ টি ব্যৱস্থাৰ যুক্তিসংগতকৰণক স্বাধীনতা লাভৰ পাছৰে পৰা সৰ্ববৃহৎ সংস্কাৰ বুলি অভিহিত কৰিছে। নতুন দিল্লীত কালি ৰাষ্ট্ৰীয় কৃতী শিক্ষক বঁটা প্ৰাপক শিক্ষক-শিক্ষয়িত্ৰীসকলৰ সৈতে মত-বিনিময় কৰি প্ৰধানমন্ত্ৰীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে এই পদক্ষেপে বিভিন্ন সামগ্ৰীৰ ওপৰত আৰোপিত কৰ হ্ৰাস কৰি আৰু ৰুটি আৰু জীৱনৰক্ষী ঔষধৰ ওপৰত আৰোপিত কৰ বিলুপ্ত কৰি মধ্যবিত্তক আৰ্থিকভাৱে সকাহ প্ৰদান কৰিব বুলি আশা কৰা হৈছে। প্ৰধানমন্ত্ৰীয়ে কয়, যে ২২ ছেপ্তেম্বৰত নৱৰাত্ৰিৰ প্ৰথম দিনৰ পৰাই এই দুতৰপীয়া কৰ ব্যৱস্থা প্ৰযোজ্য হ'ব আৰু ইয়াৰ সুবাদত এইবেলি ধনতেৰছ অধিক সজীৱ হৈ উঠিব।

০০০০০

ইছলাম ধৰ্মৰ প্ৰৱৰ্তক হজৰত মহম্মদৰ আজি জন্মদিন। এই উপলক্ষে ইছলাম ধৰ্মাৱলম্বী লোকসকলে আজিৰ দিনটো পৱিত্ৰ মিলাদ-উন-নবী হিচাপে উদযাপন কৰিছে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মিলাদ-উন-নবী উপলক্ষে জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে দেশবাসীক বিশেষকৈ ইছলাম ধৰ্মাৱলম্বী লোকসকলক শুভেচ্ছা জনাইছে। পয়গম্বৰ মহম্মদে একতা আৰু মানৱতাৰ সেৱাৰ বাণী বিলাইছিল বুলিও ৰাষ্ট্ৰপতিগৰাকীয়ে তেওঁৰ বাৰ্তাত প্ৰকাশ কৰিছে। ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে জনায় যে এই পৱিত্ৰ উৎসৱত জনসাধাৰণে পয়গম্বৰ মহম্মদৰ আদৰ্শৰ দ্বাৰা উদ্বুদ্ধ হৈ ভাতৃত্ববোধৰ মনোভাৱেৰে আগবাঢ়ি যাবলৈ প্ৰতিজ্ঞাবদ্ধ হোৱা উচিত।

ইপিনে, প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে সামাজিক মাধ্যমৰ এটা বাৰ্তাত এই উৎসৱে সমাজত শান্তি আৰু কল্যাণৰ বাৰ্তা কঢ়িয়াই আনিব বুলি আশা প্ৰকাশ কৰে। তেওঁ লগতে আশা প্ৰকাশ কৰে যে সহানুভূতি, সেৱা আৰু ন্যায়ৰ মূল্যবোধে সদায় প্ৰতিগৰাকী লোককে দিক নিৰ্দেশনা দি আহিছে।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ওনাম উপলক্ষে দেশৱাসী বিশেষকৈ কেৰালাৰ জনসাধাৰণক ওলগ জনাইছে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে এই উপলক্ষে দিয়া এটা বাৰ্তাত কয়, যে এই উৎসৱ কেৰালাৰ চহকী সাংস্কৃতিক ঐতিহ্য আৰু পৰম্পৰাৰ অনন্য নিদৰ্শন। তেওঁ কয়, যে এই উৎসৱে জনসাধাৰণক সাংস্কৃতিক ধৰ্মীয় বিশ্বাসৰ উপৰি একতা, সহযোগিতা আৰু সমন্বয়ৰ গুৰুত্বৰ বিষয়ে সোঁৱৰাই দিয়ে। ওনাম দেশৰ কৃষকসকলৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশৰ উপলক্ষ বুলিও ৰাষ্ট্ৰপতিগৰাকীয়ে মন্তব্য কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাযোগে এই উৎসৱে সকলোৰে বাবে আনন্দ, সুস্বাস্থ্য আৰু সমৃদ্ধি কঢ়িয়াই আনিব বুলি আশা প্ৰকাশ কৰে। ওনামে কেৰালাৰ পৰম্পৰা আৰু ইয়াৰ চহকী সংস্কৃতিৰ কথা সোঁৱৰাই দিয়ে বুলিও তেওঁ প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীয়ে লগতে কয় যে এই উৎসৱ, ঐক্য, আশা তথা সাংস্কৃতিক গৌৰৱৰ প্ৰতীক। এই উৎসৱে সমাজত বন্ধুত্ব গঢ়ি তোলাত সহায় কৰি প্ৰকৃতিৰ সৈতে সকলোৰে বন্ধন সুদৃঢ় কৰে বুলি তেওঁ কয়।

উল্লেখযোগ্য যে বিশ্বৰ বিভিন্ন ঠাইত বসবাস কৰা কেৰালাৰ লোকসকলে আজি থিৰু ওনাম উৎসৱ উদযাপন কৰিছে।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে আজি নতুন দিল্লীত ভূটানৰ প্ৰধানমন্ত্ৰী শ্বেৰিং টবগেক সাক্ষাৎ কৰিব। ভূটানৰ প্ৰধানমন্ত্ৰী চাৰিদিনীয়া ভ্ৰমণসূচী লৈ পৰহি ভাৰতত উপস্থিত হয়। তেওঁ উত্তৰ প্ৰদেশৰ অযোধ্যাত এটা অনুষ্ঠানত অংশগ্ৰহণ কৰি ৰাষ্ট্ৰীয় ৰাজধানীত উপস্থিত হোৱাৰ কথা।

ভূটানৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে পত্নী ওম টাছি দোমাৰ সৈতে আজি অযোধ্যাৰ শ্ৰীৰাম জনমভূমি মন্দিৰ, হনুমানগড়ী মন্দিৰ আৰু কুবেৰটিলা দৰ্শন কৰে। এই ভ্ৰমণৰ কালছোৱাত ভূটানৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে শ্ৰীৰাম মন্দিৰত চলি থকা নিৰ্মাণ কাৰ্যৰ চূড়ান্ত পৰ্যায় পৰ্যালোচনা কৰি মন্দিৰৰ স্থাপত্যৰ বৈশিষ্ট্য আৰু আধ্যাত্মিক তাৎপৰ্যৰ বিষয়ে আলোচনা কৰে। ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰী টবগেক উত্তৰ প্ৰদেশৰ কৃষি মন্ত্ৰী সূৰ্যপ্ৰতাপ শ্বাহিয়ে বিমান বন্দৰত আদৰণি জনায়। ভূটানৰ প্ৰধানমন্ত্ৰীগৰাকী ভ্ৰমণৰ পৰিপ্ৰেক্ষিতত সমগ্ৰ অঞ্চলটোতে উচ্চ নিৰাপত্তা ব্যৱস্থা কৰা হৈছে।

উল্লেখযোগ্য ভূটানৰ প্ৰধানমন্ত্ৰী শ্বেৰিং ট'বগেই কালি সপত্নীক বিহাৰৰ বুদ্ধ গয়াত থকা পৱিত্ৰ মহাবোধি মন্দিৰ দৰ্শন কৰে। শ্ৰীট'বগেই ইউনেস্কৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰ ৰূপে স্বীকৃতিপ্ৰাপ্ত মন্দিৰটোত প্ৰাৰ্থনা কৰে। ধৰ্মীয় বিশ্বাস মতে ভগৱান বুদ্ধই এই স্থানতেই জ্ঞান লাভ কৰিছিল।

প্ৰধানমন্ত্ৰী শ্বেৰিঙৰ ভ্ৰমণে ভাৰত আৰু ভূটানৰ মাজত থকা সাংস্কৃতিক বিনিময়, মৈত্ৰী আৰু পাৰস্পৰিক সন্মানৰ স্বাশ্বত বান্ধোনক প্ৰতিফলিত কৰিছে।

00000

মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড কে চাংমাই কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক বাংলাদেশ সীমান্তত অবৈধ অনুপ্ৰবেশ ৰোধ কৰিবলৈ ৰাজ্যখনত ইনাৰ পাৰ্মিট কাৰ্যকৰীকৰণ ক্ষীপ্ৰতাৰে কৰিবলৈ আহ্বান জনাইছে। নতুন দিল্লীত কালি মুখ্যমন্ত্ৰী চাংমাই শ্ৰীশ্বাহক সাক্ষাৎ কৰি এই কথা প্ৰকাশ কৰে। দুয়োগৰাকী নেতাৰ মাজত কালি অনুষ্ঠিত বৈঠকত অবৈধ প্ৰব্ৰজন নিৰীক্ষণ ব্যসস্থাৰ সমান্তৰালকৈ সীমান্ত ব্যৱস্থাপনা আৰু আন্তঃগাঁথনিৰ প্ৰয়োজনীয়তাৰ ওপৰতো গুৰুত্ব আৰোপ কৰা হয়।

00000

সৰস মেলাৰ ২৭ সংখ্যক সংস্কৰণ আজি নতুন দিল্লীত আৰম্ভ হৈছে। এই মেলাই গ্ৰামাঞ্চলৰ মহিলাসকলক নিজৰ সামগ্ৰী প্ৰদৰ্শন আৰু বিক্ৰীৰ বাবে গুৰুত্বপূৰ্ণ বিপণন মঞ্চ প্ৰদান কৰি আহিছে। দেশৰ বিভিন্ন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ আত্মসহায়ক গোটৰ ৪০০ৰো অধিক মহিলাই এই মেলাত অংশগ্ৰহণ কৰিছে। এই বছৰ এই মেলাৰ মূল বিষয়বস্তু হৈছে- লাখপতি দিদিৰ বিকাশ - গ্ৰামাঞ্চলৰ মহিলাসকলক সফল উদ্যমী আৰু ভোকেল ফ'ৰ লোকেল অভিযানৰ হোতা হ'বলৈ সবল কৰি তোলা। প্ৰথমবাৰৰ বাবে এইবেলি লাখপতি দিদিসকলে সম্পূৰ্ণৰূপে সৰস মেলাৰ দায়িত্ব পালন কৰিব। ২২ ছেপ্তেম্বৰত এই মেলাৰ সামৰণি পৰিব।

00000

**সমাপ্ত**